**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-11-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

দক্ষিণ শালমাৰা-মানকাচৰ জিলা আৰু ছেচন আদালতে ২০২১ চনত সংঘটিত দুজন যুৱকৰ হত্যাকাণ্ডৰ গোচৰত ১৪ জন লোকক দোষী সাব্যস্ত কৰিছে। ন্যায়াধীশ সঞ্জয় হাজৰিকাই আজি দিয়া এই ৰায়যোগে ২০২১ চনৰ ১৩ মে'ত সংঘটিত পিতা আৰু পুত্ৰৰ এই হত্যাকাণ্ড সন্দৰ্ভত ১৪ জন অভিযুক্তক দোষী সাব্যস্ত কৰে আৰু শাস্তি ঘোষণা ২১ নৱেম্বৰলৈ স্থগিত ৰাখে।

0000000

মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভাৰ নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া ভোটগ্ৰহণৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। মহাৰাষ্ট্ৰৰ ২৮৮টা বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইয়াৰ লগতে নাণ্ডেড় লোকসভা সমষ্টিৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। পাঞ্জাব, উত্তৰ প্ৰদেশ, কেৰালা আৰু উত্তৰাখণ্ডৰ ১৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবেও কাইলৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। মহাৰাষ্ট্ৰত মুঠ ৪ হাজাৰ ১৩৬ গৰাকী প্ৰতিদ্বন্দ্বী নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। ইয়াৰ ভিতৰত ২ হাজাৰ ৮৬ গৰাকী নিৰ্দলীয় প্ৰাৰ্থী আছে। বিজেপিয়ে ১৪৯টা সমষ্টিত, একনাথ সিন্দে পন্থী শিৱসেনাই ৮১টা সমষ্টিত আৰু অজিত পাৱাৰ নেতৃত্বাধীন এন চি পিয়ে ৫৯টা সমষ্টিত প্ৰাৰ্থী দিছে। আনহাতে কংগ্ৰেছে ১০১টা সমষ্টিত, উদ্ধৱ থাকৰে নেতৃত্বাধীন শিৱসেনাই ৯৫টা সমষ্টিত আৰু শাৰদ পাৱাৰ নেতৃত্বাধীন শিৱসেনাই ৮৬টা সমষ্টিত প্ৰাৰ্থী ঠিয় কৰাইছে। বহুজন সমাজ পাৰ্টিৰ ২৩৭ গৰাকী আৰু এ আই এম আই এমৰ ১৭ জন প্ৰাৰ্থীও ভাগ্য কাইলৈৰ ভোটগ্ৰহণত নিশ্চিত হ'ব। মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত কাইলৈ ভোটদানৰ হাৰ পূৰ্বৰ তুলনাত উন্নত হ'ব নে নাই সেই বিষয়ে ৰাজনৈতিক মহলত চিন্তা-চৰ্চা চলিছে।

0000000

ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত কাইলৈ ১২ খন জিলাৰ ৩৮টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। কাইলৈ নিৰ্বাচনী ভাগ্য নিৰূপণ হ'বলগীয়া প্ৰাৰ্থীসকলৰ ভিতৰত বাৰহাইট সমষ্টিত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেন, ধানৱাৰ সমষ্টিত প্ৰদেশ বিজেপিৰ মুৰব্বী বাবুলাল মাৰাণ্ডি, গাণ্ডে সমষ্টিত ৰাজ্যখনৰ মুখ্যমন্ত্ৰীৰ পত্নী কল্পনা চোৰেন, ডুমকা সমষ্টিত মুখ্যমন্ত্ৰীৰ ভাতৃ বসন্ত চোৰেনো আছে। কাইলৈৰ ভোটগ্ৰহণৰ জৰিয়তে ৫২৮ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। ১২ খন জিলাৰ ১৪ হাজাৰ ২১৮টা ভোটগ্ৰহণ কেন্দ্ৰত শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ সুনিশ্চিত কৰাৰ বাবে কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ ৬০০ কোম্পানী মোতায়েন কৰা হৈছে।

000000

বাক্সা আৰু তামুলপুৰ জিলাৰ সীমান্তৱৰ্তী জাৰতালুক অঞ্চলত এটা হাতীৰ জাকৰ দলপতি মখনাৰ গাত বাক্সাৰ বন সংমণ্ডল বিষয়াই ৰেডিঅ' কলাৰ স্থাপন কৰে। ইয়াৰ ফলত জিলা প্ৰশাসন আৰু বন বিভাগে হাতীৰ জাকটোৰ গতি-বিধি উপগ্ৰহৰ জৰিয়তে নিৰীক্ষণ কৰিব পাৰিব। এতিয়াৰেপৰা জনাঞ্চলত হাতীৰ উপস্থিতিৰ বিষয়েও আগতীয়াকৈ জানিব পৰা হ'ব। উল্লেখযোগ্য যে ৰেডিঅ' কলাৰিং হৈছে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ এটা গুৰুত্বপূৰ্ণ প্ৰকল্প। এই প্ৰকল্পৰ সৈতে হাতীৰ গতি-বিধি নিৰীক্ষণ কৰাৰ বাবে বাক্সা জিলাৰ বন বিষয়া আৰু মানস ব্যাঘ্ৰ সংৰক্ষণ প্ৰকল্পৰ বন পশু চিকিৎসা বিষয়া জড়িত হৈ আছে। বাক্সা, তামুলপুৰ আৰু নলবাৰী জিলা প্ৰশাসনে বন বিভাগক ৰেডিঅ' কলাৰিং প্ৰকল্প অভিযান সফলতাৱে সম্পন্ন কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়ায়। এই প্ৰকল্পৰ বাবে সামগ্ৰিকভাৱে কেইবালাখ টকাৰ প্ৰয়োজন হোৱাৰ পৰিপ্ৰেক্ষিতত যোৱা ১৪ নৱেম্বৰত তামুলপুৰৰ জিলা আয়ুক্তৰ সৈতে হোৱা এখন বৈঠকত জিলা প্ৰশাসনে আই আই টি, গুৱাহাটীৰ সৈতে বনৰীয়া হাতী বা আন বন্যপ্ৰাণীৰ সন্ধানৰ বাবে কম খৰচী থলুৱা ৰেডিঅ'কলাৰ নিৰ্মাণৰ বাবে আলোচনা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ ফলত হাতী-মানুহৰ সংঘাত হ্ৰাস পাব বুলি আশা কৰা হৈছে। চলিত বৰ্ষত জিলাখনৰ কুমাৰীকাটা বনাঞ্চলত ৪ গৰাকী লোকৰ হাতীৰ আক্ৰমণত প্ৰাণহানি হৈছিল।

০০০০০০০

চৰাইদেউ মৈদামথলীত আজি বিস্তৃত কাৰ্যসূচীৰে বিশ্ব ঐতিহ্য সপ্তাহ-২০২৪ আৰম্ভ হৈছে। অসম প্ৰত্নতত্ব সঞ্চালকালয়ৰ দ্বাৰা স্বৰ্গদেউসকলৰ স্মৃতি তৰ্পণ সমিতিৰ সহযোগত অনুষ্ঠিত কাৰ্যসূচী অনুসৰি আজি পুৱা বালি মৈদামৰ পৰা চৰাইদেউ মৈদাম বিশ্ব ঐতিহ্যক্ষেত্ৰলৈ এটা ঐতিহ্য যাত্ৰা উলিওৱা হয়। স্থানীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ইয়াত অংশগ্ৰহণ কৰে। ইয়াৰ পাছত অনুষ্ঠিত হোৱা অনুষ্ঠানত গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ সব্যসাচী মহন্তই নিৰ্দিষ্ট বক্তা হিচাপে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০০০০

কোকৰাঝাৰৰ বিধায়ক লৰেঞ্চ ইছলাৰীয়ে আজি কোকৰাঝাৰ নগৰৰ পাথৰঘাটত এটা জনজাতি জিৰণি গৃহৰ আধাৰশিলা স্থাপন কৰে। এই গৃহৰ নিৰ্মাণ ব্যয় ২ কোটি টকা হ'ব বুলি ধাৰ্য কৰা হৈছে। জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ পুঁজিৰে এই জিৰণি গৃহ নিৰ্মাণ কৰা হ'ব।

০০০০০০০

মোৱামৰীয়া গণ অভ্যুত্থানৰ নেতা বীৰ ৰাঘৱ মৰাণৰ আৱিৰ্ভাব তিথি উপলক্ষে তিনিচুকীয়া জিলাৰ কৰ্দৈগুৰি ডাইচাত এই দিৱস পালন কৰা হয়। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উদ্যোগত আয়োজিত এই দিৱসত পুৱা পতাকা উত্তোলন আৰু সতীৰ্থ স্মৰণ অনুষ্ঠান অনুষ্ঠিত হয়। বীৰ ৰাঘৱ মৰাণৰ স্মৃতিত ২৮৯ গচি বন্তিও প্ৰজ্বলন কৰা হয়। দিনৰ ভাগত বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ লগতে মুকলি সভা অনুষ্ঠিত হয়।

০০০০০০০

চলিত বৰ্ষৰ যোৱা ছেপ্তেম্বৰ মাহৰ ভিতৰত দেশৰ প্ৰায় ২১ লাখ নতুন কৰ্মচাৰীয়ে কৰ্মচাৰী ৰাজ্যিক বীমা আঁচনিৰ অধীনত নাম অন্তৰ্ভুক্ত কৰিছে। কৰ্মচাৰী ৰাজ্যিক বীমা নিগমে প্ৰকাশ কৰা বিজ্ঞপ্তি অনুসৰি যোৱা ছেপ্তেম্বৰ মাহৰ ভিতৰত ২০ লাখ ৫৮ হাজাৰ নতুন কৰ্মচাৰীয়ে নতুনকৈ নাম পঞ্জীয়ন কৰে। যোৱা বছৰটোৰ তুলনাত এই বছৰ পঞ্জীয়ন কৰা কৰ্মচাৰীৰ সংখ্যা ৯ শতাংশ বৃদ্ধি পাইছে। নতুনকৈ পঞ্জীয়ন কৰা কৰ্মচাৰী সকলৰ ভিতৰত ১০ লক্ষাধিক কৰ্মচাৰীৰ বয়স ২৫ বছৰ। আনহাতে ৩ লাখ ৯১ হাজাৰ মহিলা কৰ্মচাৰীয়ে এই আঁচনিৰ অধীনত নাম পঞ্জীয়ন কৰিছে। ইয়াৰ লগতে ৬৪ গৰাকী তৃতীয় লিংগৰ কৰ্মচাৰীয়ে নাম পঞ্জীয়ন কৰা বুলি কৰ্মচাৰী ৰাজ্যিক বীমা নিগমে জানিবলৈ দিছে।

০০০০০০

**সমাপ্ত**